# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-02-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্রিক পাঠ্যক্রমৰ প্ৰৱেশ পৰীক্ষাত অসাধু উপায় অৱলম্বন কৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। কেম্পাক'লাৰ বটলিং প্ৰকল্প উদ্বোধন কৰি প্ৰকল্পটোত ৩শৰো অধিক প্ৰত্যক্ষ নিয়োগৰ সুবিধা সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ প্ৰাক মুহূৰ্তত ৰাজ্যত সুৰক্ষা ব্যৱস্থাকে ধৰি চৰকাৰৰ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৪। ভাৰত বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাত উত্তৰ পূৰ্বাঞ্চলৰ গুৰুত্বপূৰ্ণ অৱদান আছে বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ প্ৰকাশ। *আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ইংলেণ্ডৰ অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ অবৈধ উপায়েৰে সহায়ৰ নামত ধন লোৱাৰ অভিযোগত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় মেঘালয়ৰ স্বত্বাধিকাৰী মহবুবুল হকক গ্ৰেপ্তাৰ কৰা হৈছে। অভিযোগ অনুসৰি মহবুবুল হকৰ প্ৰতিষ্ঠানটোৱে শ্ৰীভূমিৰ পাথাৰিকান্দি কেন্দ্ৰীয় বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান পৰীক্ষাত অৱতীৰ্ণ হোৱা ২১৪ জন প্ৰাৰ্থীক উত্তীৰ্ণ কৰিবলৈ ধন লোৱাৰ লগতে অসাধু উপায়েৰে সহায়ৰ প্ৰতিশ্ৰুতি দিছিল। পৰীক্ষাকেন্দ্ৰত এই বিষয়ক কেন্দ্ৰ কৰি হুলস্থুল সৃষ্টি হোৱাত বিষয়টো পোহৰলৈ আহে আৰু শ্ৰীভূমি আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হয়। মহবুবুল হকক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। হকৰ গ্ৰেপ্তাৰ আৰু পৰৱৰ্তী তদন্তৰ বিষয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকক সম্বোধন কৰি কয়, যে শিক্ষা ব্যৱস্থাত এনে অপকৰ্ম ৰোধ কৰিবলৈ চৰকাৰ সদায় দায়বদ্ধ। ড° শৰ্মাই চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্রিক পাঠ্যক্রমৰ প্ৰৱেশ পৰীক্ষাৰ ক্ষেত্ৰতো এই চক্ৰটোৱে অসাধু উপায় অৱলম্বন কৰি আহিছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হব বুলি প্ৰকাশ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ চাংসাৰীত পানীয় উৎপাদনকাৰী প্ৰতিষ্ঠান কেম্পা এণ্ড বেভাৰেজেছৰ সহযোগত বটলিং প্ৰকল্পৰ উদ্বোধন কৰে। প্ৰকল্পটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই নতুন প্ৰকল্পটোৱে ৰাজ্যখনৰ ঔদ্যোগিক বিকাশ আৰু অসমত গঢ় লৈ উঠা উদ্যোগৰ বাবে অনুকূল

পৰিৱেশ সন্দৰ্ভত ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে। ৰিলায়েন্স কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে ২৫০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰা এই প্ৰকল্পৰ জৰিয়তে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যকেইখনত ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশত সহায় হ'ব বুলি মুখ্যমন্ত্ৰীয় মন্তব্য কৰে। তেওঁ কয়, যে এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষভাৱে কমেও ৩০০টা নিয়োগ সৃষ্টিৰ হোৱাৰ উপৰি সহস্ৰাধিক পৰোক্ষ নিযুক্তিৰ সুবিধা হ'ব। এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ প্ৰাক মুহূৰ্তত এনেধৰণৰ প্ৰকল্প মুকলিয়ে আশাৰ সঞ্চাৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত ৰাজ্য চৰকাৰে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰাকে ধৰি সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এই সন্মিলনত ভাগ লোৱাৰ বাবে পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনত উপস্থিত হ'ব। তদুপৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত ৫০ খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতে এই অনুষ্ঠানত অংশ ল'ব। কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে এই অনুষ্ঠানৰ অংশ হিচাপে কমেও পাঁচখন গুৰুত্বপূৰ্ণ আলোচনা সত্ৰত অংশ লোৱাৰ কথা। এই সন্মিলনে ৰাজ্যখনত উন্নয়ন বৃদ্ধিৰ লগতে ঔদ্যোগিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ইতিবাচক পৰিৱেশৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে। তেওঁ কয়, যে অসম অনাগত সময়ত পৰিবহণ আৰু সামগ্ৰী যোগানৰ ক্ষেত্ৰত অন্যতম কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। বিশ্বমানৰ বহুমুখী ল'জিষ্টিক উদ্যান, উন্নত এয়াৰ কাৰ্গোৰ সুবিধা সমৃদ্ধ ই-বাণিজ্য খণ্ডৰ দ্বাৰা ৰাজ্যখনে ইতিমধ্যে বাণিজ্যৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। তদুপৰি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বিকাশৰ ক্ষেত্ৰতো ৰাজ্যখনত অভূতপূৰ্ব পৰিৱৰ্তন হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয়, যে বৃহৎ সংখ্যক উদ্যোগৰ বিকাশ আৰু নিযুক্তিৰ সুযোগ সৃষ্টিৰে ৰাজ্যখনে উদ্ভাৱন, উদ্যোগ আৰু আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত উল্লেখনীয় সাফল্য লাভ কৰিছে।

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে হ'বলগীয়া এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি কৃষিমন্ত্ৰী অতুল বৰাই জনতা ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই সন্মিলনত ৰাজ্যৰ কৃষিবিভাগৰ উদ্যোগত চাহ, বাঁহ উদ্যোগ, অগৰ প্ৰসংস্কৰণ আৰু মূল্য সংযোজনকে ধৰি কেইবাটাও বিষয়ত অনুষ্ঠানৰ আয়োজন কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে আজি এই অনুষ্ঠানসমূহৰ দায়িত্বত থকা কৃষি বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে অনুষ্ঠানৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **টেলিভিছনৰ ধাৰাবাহিকৰ অভিনেতা-অভিনেত্ৰী আৰু কলা-কুশলীৰ মনৰ বতৰা ল'ব**।

**(প্ৰমো)**

অনুষ্ঠানটো একে সময়তে আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখা আৰু বাতৰি বিভাগৰ **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

রাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি আই আই টি গুৱাহাটীত থিংক ইণ্ডিয়া উত্তৰ-পূব সন্মিলনৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে ভাৰত বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ অৱদান আছে বুলি মন্তব্য কৰে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলক বিষয় হিচাপে এই সন্মিলনৰ আয়োজন কৰাৰ পদক্ষেপক প্ৰশংসা কৰে। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্য, জৈৱ বৈচিত্ৰ আৰু যুৱ প্ৰজন্মৰ সামৰ্থ, অঞ্চলটোত দেশৰ অমৃতকালত উন্নয়ন আৰু বিকাশৰ অন্যতম কেন্দ্ৰ হিচাপে গঢ় লৈ উঠাৰ কাৰণ বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে। এই সন্মিলনৰ আলোচনাসমূহে শিক্ষা, বহনক্ষম উন্নয়ন আৰু অৰ্থনৈতিক সৰলীকৰণৰ বিভিন্ন দিশত আলোকপাত কৰাৰ লগতে উত্তৰ-পূবক প্ৰগতিৰ শিখৰলৈ লৈ যোৱাত অৰিহণা যোগাব বুলি শ্ৰীআচাৰ্যই মন্তব্য কৰে। দক্ষিণ পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ কৌশলগত দিশত থকা গুৰুত্বৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে বিভিন্ন ভৌগোলিক আৰু অন্যান্য প্ৰত্যাহ্বান স্বত্তেও অঞ্চলটো সকলো দিশত আগবাঢ়ি গৈছে। নিজৰ ভাষণৰ সামৰণিত ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ যুৱ প্ৰজন্মৰ সামৰ্থ বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ উদ্ভাৱন ক্ষমতাই উত্তৰ-পূৰ্বাঞ্চলৰ সম্ভাৱনাক বাস্তৱায়িত কৰিব বুলিও মন্তব্য কৰে। এই অনুষ্ঠানত আই আই টি গুৱাহাটীৰ সঞ্চালক, অধ্যাপক দেৱেন্দ্ৰ জালিহালৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ সৰুসজাইত চলি থকা কেন্দ্ৰীয় আখৰাত ৰাজ্যৰ ৯ হাজাৰৰো অধিক শিল্পীয়ে ভাগ লৈছে। পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া এই সৰ্ববৃহৎ ঝুমুৰ নৃত্য অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ উপস্থিত থাকিব। আজি এই উদ্দেশ্যে অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে অসমৰ চাহ জনগোষ্ঠী সম্প্ৰদায়ক বিশেষ গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰে। কৃষিমন্ত্ৰী অতুল বৰা আৰু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী কেশৱ মহন্তই সৰুসজাইত আজি চলি থকা ঝুমুৰ নৃত্য পৰিবেশনৰ আখৰাত উপস্থিত হৈ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে নৃত্যশিল্পীসকলক উৎসাহ প্ৰদান কৰে।

বহু প্ৰত্যাশিত ঝুমুইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিব বুলি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই মন্তব্য কৰিছে। আজি এই উদ্দেশ্যৰে মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত এখন দলীয় সভাত অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ সৰ্বতোপ্ৰকাৰৰ সফলতা সুনিশ্চিত কৰিবলৈ সমবেতসকলক আহ্বান জনায়।

ooooo

যোৰহাট জিলাৰ বিভিন্ন স্থানত আজি ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ ৩১ সংখ্যক মৃত্যু তিথি উদযাপন কৰা হৈছে। কবি সন্মিলন আৰু মুকলি সভাৰ আয়োজনেৰে প্ৰয়াত কবিগৰাকীক যোৰহাট, টীয়ক আৰু মৰিয়নিৰ বৌদ্ধিক সমাজে আজি স্মৰণ কৰে। ১৯০১ চনত যোৰহাটৰ টীয়কত জন্মগ্ৰহণ কৰা বিশিষ্ট সাহিত্যিকগৰাকীয়ে ১৯৬৬ চনত অসম সাহিত্য সভাৰ লখিমপুৰ অধিবেশনত সভাপতিত্ব কৰিছিল। শংখধ্বনি, প্ৰতিধ্বনি, জয়ধ্বনি, ফুলকলি ইত্যাদি কবিতাপুথিৰে ৰাজ্যৰ সাহিত্য জগতলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্ত্যমিলযুক্ত ছন্দৰ কবিতাসমূহৰ কাৰণে তেওঁক ধ্বনি কবি অভিধা দিয়া হয়। কবিতাৰ লগতে সাহিত্যিকগৰাকীয়ে টিটি হেয়, বেঙেনাৰ ৰহস্য ইত্যাদি খুহুতীয়া ব্যংগ ৰচনা আৰু শিশু উপযোগী

গ্ৰন্থও ৰচনা কৰিছিল। নজনা বীৰৰ মূৰ, গড়গাঁৱৰ দৰে তেওঁৰ বহু পঠিত কবিতাতো সামাজিক ব্যংগৰ সুস্পষ্ট প্ৰভাৱ দেখা যায়।

০০০০০

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাৰ প্ৰতিবাদত অসম প্ৰদেশ যুৱ কংগ্ৰেছে আজি অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ কাৰ্যালয় ঘেৰাও কৰাৰ চেষ্টা চলায়। অৱশ্যে সষ্টম হৈ থকা আৰক্ষীয়ে বেৰিকেট দি প্ৰতিবাদী যুৱ কংগ্ৰেছীসকলক বাধা প্ৰদান কৰে। পাছত প্ৰতিবাদীসকলে সাংসদ গৰাকীৰ আক্ৰমণ কৰা ঘটনাৰ উচিত তদন্তৰ দাবীৰে আৰক্ষী সঞ্চালক প্ৰধানলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলোৱা অভিযানত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য উদ্ধাৰ কৰাৰ লগতে কেইবাগৰাকী মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। গোৱালপাৰা জিলাৰ বগুৱান আৰক্ষী থানাৰ অধীনৰ বিভিন্ন স্থানত দুষ্টচক্ৰই অব্যাহত ৰখা মাদক দ্ৰব্যৰ অবৈধ ব্যৱসায়ৰ ঘাটিত আৰক্ষীয়ে সময়ে সময়ে অভিযান চলাই আহিছে। কালি নিশা ভাৰপ্ৰাপ্ত বিষয়া বিজুজিত দাসৰ নেতৃত্বত চলোৱা অভিযানত ৪৮ টা কণ্টেনাৰ আৰু চাবোনৰ বাকচত লুকুৱাই ৰখা বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। উল্লেখযোগ্য যে বিগত ২২ দিনত বগুৱান আৰক্ষীয়ে ৪ টাকৈ অভিযান চলাই ৪ গৰাকী সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

কামপুৰৰ কাকতিগাওঁত ১৬ টা মাদকদ্ৰব্য ভৰ্তি কণ্টেনাৰসহ এজন সৰবৰাহকাৰীক নগাওঁ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। হাইলাকান্দিতো কাটলিচাৰা আৰক্ষীৰ অভিযানত মাদক দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। সৰবৰাহকাৰীকেইজনক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

০০০০০

২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আজি শিৱসাগৰত এখন নাগৰিক সভা অনুষ্ঠিত হয়। এই সভাত শিৱসাগৰৰ কেইবাখনো মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকে এই বাজেট সন্দৰ্ভত মত প্ৰকাশ কৰে। শিৱসাগৰ জিলা বিজেপিয়ে আজি এখন সংবাদমেলযোগে এই বাজেট সন্দৰ্ভত অৱগত কৰে। সংবাদমেলত মন্ত্ৰী যোগেন মহনে বাজেটখনক জনমুখী বুলি অভিহিত কৰি ইয়াৰ পৰা জনসাধাৰণে লাভ কৰিবলগীয়া সা-সুবিধা সম্পৰ্কে উল্লেখ কৰে। বাজেটত উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব দিয়া হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কৃষক, ক্ষুদ্ৰ উদ্যোগ, জল পৰিবহণ, শিক্ষা, স্বাস্থ্য তথা দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকলৰ বাবে ধাৰ্য কৰা আঁচনিসমূহৰ বিষয়ে জানিবলৈ দিয়ে। চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও শ্ৰীমহনে উল্লেখ কৰে। তেওঁ বাজেটত ধাৰ্য কৰা আঁচনিসমূহৰ সুবিধা ৰাইজক গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০

মানকাচৰৰ হাটশিঙিমাৰীত আজি জিলা বিজেপিৰ উদ্যোগত ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। হাটশিঙিমাৰী প্ৰেছ ক্লাবত অনুষ্ঠিত এই আলোচনাচক্ৰত বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, জ্যেষ্ঠ নাগৰিক আৰু কেইবাগৰাকী বিজেপি কৰ্মী উপস্থিত থাকে। ধুবুৰী পৌৰ নিগমৰ পৌৰপতি ডাঃ দেবময় স্যানাল মুখ্য অতিথি হিচাপে উপস্থিত থাকি বাজেট সন্দৰ্ভত আলোচনা আগবঢ়ায়। এই আলোচনা চক্ৰত হাটশিঙিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ছাহেৰ আলী, অৰ্থনৈতিক বিজ্ঞানৰ অধ্যাপক

ড০ মনিৰুজামান শ্বেখসহ কেইবাগৰাকী জ্যেষ্ঠ নাগৰিকে নিজৰ মতামত প্ৰকাশ কৰে। এই আলোচনা চক্ৰৰ অন্তত ধুবুৰীৰ পৌৰপতি ডাঃ স্যানলে এখন সংবাদমেল আয়োজন কৰি বাজেটৰ লাভালাভ সম্পৰ্কে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে কামৰূপ মহানগৰ জিলা নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত কালিৰে পৰা ২৫ ফেব্ৰুৱাৰীলৈ ৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সীমান্ত এলেকা যুৱ আদান প্ৰদান কাৰ্যসূচীৰ আজি দ্বিতীয় দিন। পলটনবজাৰৰ নেহৰু যুৱ কেন্দ্ৰৰ আৱাসত উত্তৰ পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যৰ মুঠ ২৫ গৰাকী যুৱ প্ৰতিনিধিয়ে এই কাৰ্যসূচীৰ অধীনত ভাষা আৰু সাংস্কৃতিক সমন্বয়ৰ উদ্দেশ্যৰে একগোট হোৱাৰ লগতে সমল ব্যক্তিৰ দ্বাৰা শৈক্ষিক কাৰ্যসূচী, যোগ অভ্যাস, ক্ষেত্ৰ ভ্ৰমণ, ভাৰত বিষয়ক কুইজত অংশগ্ৰহণ কৰিছে। কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত কেছিয় কৰণ পেগুৱে অঞ্চলটোৰ যুৱ শক্তিৰ মাজত একতা আৰু ভাতৃত্ববোধৰ বিকাশৰ কাৰণে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি উদ্বোধনী অনুষ্ঠানত মন্তব্য কৰে।

উদ্বোধনী অনুষ্ঠানত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ শৈক্ষিক দিন ড° মৌচুমী বৰা, ৰাষ্ট্ৰীয় সেৱা যোজনাৰ উত্তৰ পূৱ আঞ্চলিক কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত আঞ্চলিক সঞ্চালক জীন জিলাং আৰু কেন্দ্ৰীয় চৰকাৰৰ জৰীপ বিভাগৰ উপ সঞ্চালক সুব্ৰত মুখাৰ্জী উপস্থিত থাকি এই কাৰ্যসূচীয়ে উত্তৰ পূৱৰ যুৱ শক্তিৰ মাজত সাংস্কৃতিক সমন্বয়ৰ জৰিয়তে সম্প্ৰীতিৰ বান্ধোন সুদৃঢ় কৰিব বুলি মন্তব্য কৰে।

০০০০০

অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ বাবে নিৰীক্ষণ সমিতিৰ এখন বৈঠক আজি লখিমপুৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। বৈঠকত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে বিহপুৰীয়া সমষ্টিৰ বিধায়ক অমিয় কুমাৰ ভূঞা, ঢকুৱাখানাৰ বিধায়ক নৱ দলে আৰু লখিমপুৰৰ বিধায়ক মানৱ ডেকাই এই বৈঠকত অংশ লয়।

০০০০০

গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ইনড'ৰ ষ্টেডিয়ামত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত আৰু বেডমিণ্টন এছোচিয়েন অৱ ইণ্ডিয়াৰ সহযোগত অসম বেডমিণ্টন সন্থাই আজিৰে পৰা অস্মিতা বেডমিণ্টন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। দেশৰ মহিলা খেলুৱৈসকলৰ উত্তৰণৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে গ্ৰহণ কৰা অভিলাসী আঁচনিৰ অধীনত দেশৰ ৩ খন চহৰত এই বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। চত্তিশগড়ৰ ৰায়পুৰ আৰু ঝাৰখণ্ডৰ জামচেদপুৰৰ পাছত আজিৰে পৰা এই প্ৰাইজমানি প্ৰতিযোগিতাখন গুৱাহাটীত আৰম্ভ হৈছে। মহিলাৰ ৩ টা বিভাগত কেৱল একক শাখাত প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত হ'ব। সেই অনুযায়ী আজি প্ৰথম দিনাই ১৭ আৰু ১৯ বছৰ অনুৰ্ধ ছোৱালী আৰু ছিনিয়ৰ মহিলাৰ লীগ খেলসমূহ অনুষ্ঠিত হৈছে। খিতাপৰ চূড়ান্ত খেল অহা ২৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। ৯০ হাজাৰ টকাৰ মুঠ প্ৰাইজমানি নিৰ্ধাৰণ কৰা প্ৰতিযোগিতাখনৰ আজি ৰাজ্য চৰকাৰৰ উপ ক্ৰীড়া সচিব মহৰ্ষি কাশ্যপে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ পাকিস্তানৰ গাড্ডাফী ষ্টেডিয়ামত আজি অনুষ্ঠিত এখন খেলত ইংলেণ্ডে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ৩৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ইংলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৫১ ৰাণ সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ বেন ডাকেটে সৰ্বাধিক ১৬৫ ৰাণ সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই এই বাতৰি যুগুতোৱাৰ পৰলৈ ২ অভাৰত ১৭ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ooooo

সমাপ্ত